بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## হুনাইনৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৬ চেপ্তেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যোৱা খোতবাত হুনাইনৰ যুদ্ধৰ যুদ্ধলব্দ বিতৰণৰ উল্লেখ হৈছিল। এই সন্দৰ্ভত আৰু বিৱৰণ আছে। যিদৰে আগতে বৰ্ণনা কৰা হৈছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে যুদ্ধলব্দৰ সম্পত্তি বিতৰণ কৰি জেহাদ কৰা সকলক তেওঁলোকৰ ভাগ প্ৰদান কৰিছিল, আৰু পঞ্চম ভাগ যিটো আছিল, তাৰ গোটেইখিনি হৃদয় জয় কৰাৰ বাবে কুৰাইছৰ মুখিয়াল আৰু আৰবৰ আন আন চৰ্দাৰ সকলৰ মাজত বিতৰণ কৰিছিল; কোনোবাক এশ উট প্ৰদান কৰিছিল, কাৰোবাক পঞ্চাচ উট প্ৰদান কৰিছিল। ইমান অধিক পৰিমাণে আনক সম্পত্তি প্ৰদান কৰাৰ ফলত কিছুমান যুৱকসকলে অনুভৱ কৰিছিল যে ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে আমাৰ সেৱা আৰু ভালপোৱা আনৰ তুলনাত অধিক বেছি আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে অজনা অৱস্থাত কোৱা কথাই সুদূৰপ্ৰসাৰী পৰিণতি সৃষ্টি কৰে। আনছাৰৰ যুৱকসকলে আল্লাহৰ নবীৰ বিতৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছিল যদিও সকলোৱে এনে কৰা নাছিল। কিন্তু খোদা আৰু খোদাৰ ৰছুল (ছাঃ)ক এই কথাবোৰে ইমানেই দুখ দিছিল যে আনছাৰসকলে গোটেই জীৱন তাৰ পৰিণাম ভোগ কৰিবলগীয়া হৈছিল। অৰ্থাৎ হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এয়া উল্লেখ কৰি কৈছে যে ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া মক্কা বিজয় কৰিছিল, তেতিয়া মক্কাৰ লোকসকলে তেখেত (ছাঃ)ৰ ওচৰত আহিছিল, তেওঁলোক বিশ্বাসৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে আলোকিত হোৱা নাছিল

জগতৰ প্ৰতি লোভ অৱশিষ্ট আছিল, পৰৱৰ্তী যুদ্ধত কিছুমান ধন-সম্পত্তি মুছলমান সকলৰ অধীনত আহিছিল। আঁহজৰত (ছাঃ)য়ে সেই সম্পত্তি তেওঁলোকৰ মাজত বিতৰণ কৰিছিল। এজন আনছাৰৰ যুৱকে কোনো এটা বৈঠকত কৈছিল  নবী কৰিম (ছাঃ)য়ে নিজৰ আত্মীয়সকলক সম্পত্তি দিয়াৰ কাৰণে আমাৰ তৰোৱালৰ পৰা তেজ টোপাল টোপলাকৈ পৰি আছে।

যেতিয়া তেখেত (ছাঃ)য়ে এই কথা জানিব পাৰিছিল তেতিয়া আনছাৰসকলক মাতি কৈছিল যে মই এনেকুৱা কথা শুনিছো। আনছাৰসকলে কান্দি কান্দি ক'ব ধৰিলে যে কোনো মূৰ্খই এনেকুৱা কথা কৈছে। তেখেত (ছাঃ)য়ে কলে যে নহয়, হে আনছাৰ! তোমালোকে ক'ব পাৰা যে আমি মহম্মদ (ছাঃ)ক সেই সময়ত আশ্ৰয় দিছো যেতিয়া কোনেও আশ্ৰয় দিয়া নাছিল আৰু তেওঁৰ চহৰবাসীয়ে তেওঁক বহিষ্কাৰ কৰিছিল। তেওঁলোকক আশ্ৰয় দিয়াৰ বাবেই সন্মন আৰু বিজয় লাভ হৈছিল; এনে ক্ষেত্ৰত সম্পত্তি নিজৰ আত্মীয়সকলৰ মাজত বিৰতণ কৰা হৈছিল নেকি ? এই কথা শুনাৰ পিছত আনছাৰসকলে চিঞৰি চিঞৰি কলে যে হে আল্লাহৰ ৰছুল (ছাঃ)! আমি এনেকুৱা নকওঁ। তাৰ পিছত আঁহজৰত (ছাঃ)য়ে কৈছিল যে তোমালোকে এই কথা আন পদ্ধতিৰে ক'ব পাৰা যে যিজন ব্যক্তিক খোদা তা'লাই সমগ্ৰ বিশ্বৰ পথ প্ৰদৰ্শনৰ বাবে প্ৰেৰণ কৰিছে সেইজন মক্কাৰ আছিল; কিন্তু খোদা তা'লাই তেওঁক মদিনালৈ লৈ গ'ল; ইয়াৰ পিছত খোদা তা'লাই নিজৰ প্ৰবল শক্তিৰে তেওঁৰ বাবে বিজয় প্ৰদান কৰিছিল, তেতিয়া মক্কাৰ লোকসকলে ধাৰণা কৰিছিল যে আমাৰ বস্তু আমিয়ে লাভ কৰিম। কিন্তু মক্কাবাসীয়ে ভেড়া আৰু ছাগলী লৈ গ'ল, আৰু মদিনাবাসীয়ে খোদাৰ ৰছুল (ছাঃ)ক লৈ নিজৰ চহৰৰ ফালে গ'ল। তাৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল যে এই কথা যদিও এজন মুৰ্খৰ মুখৰ পৰা ওলাইছিল, ইয়াৰ বাবে এতিয়া তোমালোকে এই জগতৰ শাসন লাভ কৰিব নোৱাৰিবা; কিন্তু তোমালোকৰ সেৱাৰ প্ৰতিদান হিচাপে তোমালোকে হৌজে কাউছাৰ লাভ কৰিবা। তেখেত (ৰাঃ)য়ে কৈছে যে চাওঁক ! ইতিহাসে সাক্ষ্য দিয়ে যে তেৰ শতিকা পাৰ হৈ গৈছে আৰু চতুৰ্দশ শতিকা চলি আছে (অৰ্থাৎ বৰ্তমান সেই শতিকাও পাৰ হৈ গ'ল) সেই সময়ছোৱাত ইছলামৰ প্ৰত্যেক জাতিৰ পৰা ৰজা হৈছে, কিন্তু আনছাৰৰ পৰা কোনোবাই ৰজা হ'ব পৰ নাই। গতিকে কেতিয়াবা এজন ব্যক্তিৰ কথাই সমগ্ৰ জাতিৰ বাবে ক্ষতিৰ কাৰণ হ'ব পাৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাটো নিজৰ এটা খোতবাত বৰ্ণনা কৰি জামাতত উপদেশ দিছিল, সেয়া আজিও আমাৰ বাবে সেইদৰে গুৰুত্বপূৰ্ণ যিদৰে সেই সময়ত গুৰুত্বপূৰ্ণ আছিল। তেখেত (ৰাঃ)য়ে কৈছে যে সেই লোকসকলে কোৰবাণী এই কাৰণে দিছিল যাতে তেওঁলোকে পদ বা সম্পত্তি লাভ কৰিব পাৰে; তেওঁলোকে মই (যুগৰ খলিফাই) মাত দিয়া সত্ত্বেও নাহিলেহেঁতেন, বৰং সেইসকল লোক আহিলেহেঁতেন যিসকলে খোদাৰ স্বাৰ্থত কোৰবাণী কৰিলেহেঁতেন। কিয়নো মই দুৰ্বল আৰু অসুস্থ মানুহ হওঁ, মই কাৰো ওপৰত অনুগ্ৰহ কৰিব নোৱাৰো। গতিকে মই নিজৰ বাবে বিচৰা নাই। যিয়ে খোদাৰ স্বাৰ্থত কোৰবাণী কৰে তেওঁ কোৰবাণী কৰক, খোদা তা'লা নিশ্চয় ইয়াৰ প্ৰতিদান দিব। খোদাৰ ওপৰত নিৰ্ভৰ কৰা উচিত। ইচ্ছা কৰিলে এই পৃথিৱীত কোৰবাণী কৰক, আৰু ইচ্ছা কৰিলে আখিৰাতৰ বাবে কোৰবাণী কৰক। যিয়ে নিষ্ঠাৰ সৈতে কোৰবাণী কৰে সেয়া বিনষ্ট নহয়। মোমিন সকলৰ কোৰবাণী কোনোবাই বিনষ্ট কৰিব নোৱাৰে। কোৰবাণী সেইসকলে কৰে যিসকলে খোদাৰ সন্তুষ্টি বিচাৰে, জগতপ্ৰেমী সকলে কোৰবাণী নকৰে।  হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে বয়সৰ এটা সময়ত উপনীত হৈ জামাতৰ

সদস্যসকলৰ মনত এই ধাৰণা সৃষ্টি হয় যে আমাৰ এনেকুৱা অভিজ্ঞতা আছে, আমি ইমান কাম কৰিছোঁ, ইয়াৰ বাবে আমি বঁটা লাভ কৰা উচিত যিটো আমাক প্ৰদান কৰা নহয়। তেওঁ চিন্তা কৰক যে কেৱল পৃথিৱীৰ বঁটা বিচাৰে নে আল্লাহ্ তা'লাৰ উত্তৰাধিকাৰী লাভ কৰিব বিচাৰে? আনছাৰুল্লাহৰ ইজতিমা আজি অনুষ্ঠিত হৈ আছে। এই সন্দৰ্ভত মই ক'ব বিচাৰো, কাৰণ এই বয়সত উপনীত হোৱাৰ পিছত যেতিয়া অভিজ্ঞতা লাভ কৰাৰ ধাৰণা সৃষ্টি হয়। যেতিয়া কাৰো মনত নিজৰ অভিজ্ঞতা আৰু সেৱা সন্দৰ্ভত কিবা ধাৰণা সৃষ্টি হয় সেয়া এফালে ৰাখি আল্লাহ্ তা'লাৰ সন্তুষ্টি লাভ কৰাৰ প্ৰয়াস কৰিব। এই উপলক্ষে বেদুইনসকলৰ অধৈৰ্যতাৰ কথাও উল্লেখ কৰা হৈছে। যুদ্ধলব্দৰ সম্পত্তি বিতৰণ কৰা সময়ত বেইদুইন লোকসকলে তেখেত (ছাঃ)ৰ আশে-পাশে একগোট হৈ সম্পত্তি তলব কৰি আছিল। তেখেত (ছাঃ)য়ে বেদুইনসকলৰ এই সভ্যতাহীন আচৰণৰ বাবে ধমক দিয়াও নাছিল, খং কৰাও নাছিল; বৰঞ্চ হাঁহিমুখে তেওঁলোকক প্ৰশিক্ষণ দি সম্পত্তি প্ৰদান কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এই যুদ্ধৰ অন্তত পৰাজিত শত্ৰুৰ জৰিমনা আৰু যুদ্ধক্ষেত্ৰত থকা বাকী বস্তুবোৰ সংগ্ৰহ কৰা হৈছিল, নিয়মানুযায়ী ৰছুলুল্লাহ (ছাঃ)য়ে ইছলামী সেনা সকলৰ মাজত যুদ্ধলব্দৰ সম্পত্তি বিতৰণ কৰিবলগীয়া আছিল। কিন্তু  সেই সময়ত তেখেত (ছাঃ)য়ে মুছলমান সকলৰ মাজত সেই সম্পত্তি বিতৰণ কৰাৰ পৰিৱৰ্তে মক্কা আৰু তাৰ আশে-পাশে থকা লোকৰ মাজত বিতৰণ কৰিছিল। সেই লোকসকলৰ মাজত এতিয়ালৈকে ঈমান দৃঢ় হোৱা নাছিল, তাৰ মাজত কিছুমান কাফিৰ আছিল আৰু যিসকল মুছলমান আছিল তেওঁলোকো নতুনকৈ মুছলমান হৈছিল। এটা জাতিয়ে নিজৰ সমস্ত সম্পত্তি আনৰ মাজত বিতৰণ কৰাটো তেওঁলোকৰ বাবে নতুন বস্তু আছিল। কিছুমান লোকসকলৰ মাজত এই সম্পত্তি বিতৰণৰ ফলত  আৰু তেওঁলোকৰ পুণ্য আৰু তাকওৱা বৃদ্ধিৰ পৰিৱৰ্তে লোভ আৰু অধিক বৃদ্ধি পাইছিল। ৰছুলুল্লাহ (ছাঃ)ৰ চাৰিওফালে গোট খাই তেওঁলোকে আৰু অধিক সম্পত্তিৰ দাবী কৰি তেখেত (ছাঃ)ক বিৰক্তি কৰিব ধৰিলে, ইমানেই যে তেখেত (ছাঃ)ক  ঠেলি ঠেলি এজোপা গছৰ ওচৰলৈ লৈ গ'ল। এজন ব্যক্তিয়ে তেখেত (ছাঃ)ৰ ডিঙিৰ মাজত থকা চাদৰখন ধৰি এইদৰে মেৰোৱাবলৈ ধৰিলে যে তেখেত (ছাঃ)য়ে উশাহ লোৱা  বন্ধ হৈ গৈছিল। তেখেত (ছাঃ)য়ে কৈছিল যে হে লোকসকল! মোৰ ওচৰত যদি আৰু কিবা বস্তু থাকিলেহেঁতেন তেন্তে মই সেয়াও তোমালোকক দি দিলোহেঁতেন; তোমালোকে মোক কেতিয়াও কৃপণ বা কাপুৰুষ নাপাবা।

তাৰ পাছত তেখেত (ছাঃ)য়ে নিজৰ মাইকী উটৰ ওচৰলৈ গৈ তাৰ পৰা এটা নোম উলিয়াই ওখ কৰি কয় যে হে লোকসকল! তোমালোকৰ সম্পত্তিৰ পৰা মোৰ এই নোম পৰিমাণৰো সম্পত্তিৰ প্ৰয়োজন নাই সেই পঞ্চম ভাগৰ বাহিৰে যি আৰবৰ আইন অনুসৰি শাসকৰ ভাগত আহে। সেই পঞ্চম ভাগো মই নিজৰ বাবে খৰচ নকৰো, বৰঞ্চ সেয়াও তোমালোকৰ কামৰ বাবেই ব্যয় কৰা হয়। মনত ৰাখিবা যে বিশ্বাসঘাতকতা কৰা মানুহ কিয়ামতৰ দিনা খোদাৰ দৰবাৰত সেই বিশ্বাসঘাতকতাৰ বাবেই লাঞ্ছিত হ'ব। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে লোকসকলে কয় যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)য়ে ৰজা হ'ব বিচাৰিছিল। ৰজা আৰু জনসাধাৰণৰ মাজত এনেকুৱাই সম্পৰ্ক  থাকেনে? কাৰো এই শক্তি আছেনে যে ৰজাক ঠেলি ঠেলি লৈ যাব আৰু ডিঙিত ৰছী বান্ধি হত্যা কৰাৰ প্ৰয়াস কৰিব? আল্লাহৰ ৰছুলৰ বাহিৰে এনেকুৱা আদৰ্শ কোনে স্থাপন কৰিব পাৰে? এইদৰে সকলোবোৰ সম্পত্তি দুখীয়াৰ মাজত বিতৰণ কৰা সত্ত্বেও এনেকুৱা কঠোৰ হৃদয়ৰ লোক আছিল যিসকলে ৰছুলে কৰিম (ছাঃ)ৰ সম্পত্তি বিতৰণ ন্যায় বুলি গণ্য কৰা নাছিল।

হাদীছত বৰ্ণিত আছে যে যুদ্ধলব্দ বিতৰণৰ সময়ত এজন বেদুইন ব্যক্তি ৰছুলে কৰিম (ছাঃ)ৰ ওচৰলৈ আহি ক’ব ধৰিলে যে হে মহম্মদ (ছাঃ) ! আপুনি মোৰ সৈতে যি অংগীকাৰ কৰিছে সেয়া পূৰণ কৰক। ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল যে সুখী হোৱা, সেই বেদুইনজনে ক’ব ধৰিলে যে আপুনি বহুবাৰ এনেকুৱাই কৈছে যে সুখী হোৱা, কিন্তু আপুনি একোৱে দিয়া নাই, এনেদৰে কৈ থাকিল। ৰছুলে কৰিম (ছাঃ)য়ে এনে কথাত বহু অসন্তুষ্ট হৈ পৰিছিল। তেখেত (ছাঃ)য়ে তেওঁৰ ফালৰ পৰা নিজৰ মুখখন ঘূৰাই লৈছিল, তাতে আবু মুছা আশ্বআৰী আৰু বিলাল (ৰাঃ)য়ে বহি আছিল। তেওঁলোকৰ প্ৰতি নিজৰ মুখখন ঘূৰাই কৈছিল যে তেওঁ শুভ সংবাদ গ্ৰহণ কৰাত অস্বীকাৰ কৰিলে, এতিয়া তোমালোকে গ্ৰহণ কৰা, দুয়োজনে এই কথা শুনাৰ লগে লগে তৎক্ষণাত কৈ উঠিল যে হে আল্লাহৰ ৰছুল ! আমি গ্ৰহণ কৰিছোঁ। তাৰ পিছত তেখেত (ছাঃ)য়ে পানীৰ পিয়লা বিচাৰি সেই পাত্ৰৰ পানীৰে নিজৰ হাত আৰু মুখখন ধুলে, ইয়াৰ পিছত সেই ৰৈ থকা পানীখিনি হজৰত আবু মুছা আশ্বআৰী আৰু হজৰত বিলাল (ৰাঃ)ক দি কৈছিল যে তোমালোক দুয়োজনে এই পানীখিনি পান কৰি নিজৰ মুখমণ্ডল আৰু বুকুৰ মাজত ঢালি সুখী হোৱা। তেওঁলোকে পিয়লাটো লৈ তেনেকুৱাই কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াত তেখেত (ছাঃ)ৰ পৱিত্ৰ পত্নীৰ নিষ্ঠা আৰু আঁহজৰ (ছাঃ)ৰ অস্তিত্বৰ কল্যাণৰ পৰা কল্যাণমণ্ডিত হোৱাৰ এটা অদ্ভুত আৰু আকষৰ্ণীয় দৃশ্যও দেখা যায়। লিখিছে যে ওচৰতেই এটা তাম্বুত উম্মুল মোমিনিন হজৰত উম্মে ছালমা (ৰাঃ)ও আছিল। তেখেতে পৰ্দাৰ আঁৰৰ পৰা তেওঁলোকক কৈছিল যে নিজৰ মাতৃৰ বাবে কিছু পানী বচাই ৰাখিবা, তেওঁলোকে হজৰত উম্মে ছালমা (ৰাঃ)ৰ বাবেও কিছু পানী বচাই ৰাখিছিল।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন প্ৰয়াতৰ সদগতি উল্লেখ কৰে। (১) মাননীয় ফহিম উদ্দিন নাছিৰ চাহাব মুবাল্লিগ ছিলছিলা ৰোমানিয়া। এওঁৰ বংশত আহমদীয়তৰ উদ্ভৱ তেওঁৰ পূৰ্ব দাদা হজৰত মিৰ্জা ইল্ম দ্বীন চাহাব (ৰাঃ)ৰ জৰিয়তে হৈছিল। প্ৰয়াতজনে জুন মাহৰ ১৯৯৬ চনত জামিয়াৰ পৰা উত্তীৰ্ণ হৈছিল, ইয়াৰ পিছত তেওঁ তফছিৰে কোৰআনত বিশেষজ্ঞ কৰিছিল। ২০০৬ চনত তেওঁক ৰোমানিয়ালৈ প্ৰেৰণ কৰা হয়; মৃত্যুলৈকে তাতেই সেৱা কৰাৰ সৌভাগ্য লাভ কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে তেওঁ আন ৰাষ্ট্ৰত ধৰ্মৰ সেৱাৰ উদেশ্যে কোৰবাণী কৰিছিল; এই কাৰণে তেওঁ শ্বহীদৰ স্থান লাভ কৰিছে। জীৱনৰ শেষ নিশ্বাসলৈকে সহানুভূতিৰ সৈতে নিজৰ দায়িত্ব পালন কৰিছে। কৈছে নিশ্চিতভাৱে প্ৰয়াত মেধাৱী নাছিৰৰ ভূমিকা আৰু আদৰ্শ হিচাপে ওৱাকফে জিন্দেগী সকলৰ বাবে এটা শিক্ষা হয়। (২) মাননীয় আব্দুল আলিম ফাৰুকি চাহাব মাননীয় আব্দুৰ ৰাশিদ ফাৰুকি চাহাব কানাডাৰ পুত্ৰ আছিল। নিজৰ ঘৰতেই ডকাইত সকলে গুলী চলাই হত্যা কৰে। ইন্না লিল্লাহি ওৱা ইন্না লিল্লাহি ৰাজিউন। তেওঁ হজৰত মছীহ মাওউদ (আঃ)ৰ চাহাবা হজৰত মৌলৱী কুদৰত আলি ছানুৰী (ৰাঃ) আৰু হজৰত মৌলৱী মহম্মদ হুছেইন চাহাব (ৰাঃ)ৰ নাতি আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰয়াতসকলৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا

وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ

وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى

وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ

لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................................................

.............................................................................................................................................

.............................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB